# খিলঞ্জীয়া লোকৰ উন্নয়নৰ আচঁনি

খিলঞ্জীয়া লোকৰ উন্নয়নৰ আচঁনি

**Document Stage: Draft for Consultation**
**Project Number: TA 7096 - IND**
**May 2009**

## ভাৰতবৰ্ষ : অসমৰ শক্তি খণ্ডত কাৰ্য্যক্ষমতা বৃদ্ধিৰ প্ৰস্তুতি।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ।
অসম চৰকাৰ।

**The resettlement framework is a document of the borrower. The views expressed herein do not necessarily represent those of ADB's Board of Directors, Management or Staff and may be preliminary in nature**

## List of Acronyms

| | |
|---|---|
| **ADB** | **Asian Development Bank** |
| **APs** | **Affected Persons** |
| **DC** | **District Collector** |
| **DSM** | **Demand Side Management** |
| **EA** | **Executing Agency** |
| **ESMU** | **Environment and Social Management Unit** |
| **GOA** | **Government of Assam** |
| **GOI** | **Government of India** |
| **IA** | **Implementing Agency** |
| **IP** | **Indigenous People** |
| **IPDF** | **Indigenous Peoples Development Framework** |
| **IPDP** | **Indigenous Peoples Development Plan** |
| **M&E** | **Monitoring and Evaluation** |
| **MFF** | **Multi-Tranche Financing Facility** |
| **NGOs** | **Non-Government Organizations** |
| **NRRP** | **National Rehabilitation and Resettlement Policy, 2007** |
| **PMU** | **Project Management Unit** |
| **RF** | **Resettlement Framework** |
| **RP** | **Resettlement Plan** |
| **SIA** | **Social Impact Assessment** |
| **STs** | **Scheduled Tribes** |

# খিলঞ্জীয়া লোকৰ উন্নয়ন আচঁনি

**(INDIGENOUS PEOPLES DEVELOPMENT FRAMEWORK)**

# অসমৰ শক্তি খণ্ডত কাৰ্য্যক্ষমতা বৃদ্ধিৰ প্ৰস্তুতি

**(Preparing the Energy Efficiency Enhancement Project in the Assam Power Sector)**

## সংক্ষিপ্ত তালিকা ঃ

১. প্ৰকল্পৰ পচ্ছাৎপট আৰু আচঁনিৰ এক অৱলোকন

২. খিলঞ্জীয়া লোক

৩. খিলঞ্জীয়া লোকৰ উন্নয়নৰ আচঁনি

৪. **Indigenous Peoples Development Plan (IPDP)** ৰ প্ৰস্তুতি প্ৰক্ৰিয়া।

    ৪.১ প্ৰাথমিক পৰীক্ষা

    ৪.২ সামাজিক প্ৰভাৱৰ মূল্যায়ন

    ৪.৩ খিলঞ্জীয়া লোকৰ বিকাশৰ আচঁনি

৫. আলোচনা আৰু তথ্য সদৰিকৰণ

৬. আনুষ্ঠানিক আচঁনি

৭. **Indigenous Peoples Development Plan (IPDP)** ৰ বাজেট

৮. নিৰীক্ষণ আৰু মূল্যায়ণ

সংযোজন - **১** ঃ ৰাষ্ট্ৰীয় বিধিসন্মত আচঁনি

## ১. প্ৰকল্পৰ পচ্ছাৎপট আৰু আচঁনিৰ এক অৱলোকন

প্ৰস্তাৱিত কাৰ্য্যসূচীখন এখন Multi Tranch Financing Facility Lending Approach ৰ অধীনত যোগান ধৰা হব। অসমত শক্তিখণ্ডৰ কাৰ্য্যক্ষমতা বৃদ্ধিৰ এই কাৰ্য্যসূচীখন নিম্ন কাৰ্বন সম্পন্ন শক্তি বিকাশৰ ক্ষেত্ৰৰ সতে মোকাবিলা কৰিবলৈ চলোৱা এই প্ৰচেষ্টা। ইয়াৰ মূল উদ্দেশ্য হল ঃ

১.১ কাৰিকৰী লোকচান হ্ৰাস কৰি পৰিবহন আৰু বিতৰন ব্যৱস্থাৰ ক্ষমতা বৃদ্ধি কৰা।

১.২ অনান্য এজেঞ্চিৰ সহায় লৈ আৱশ্যক অনুসৰি উৎপাদন ক্ষমতা বৃদ্ধি কৰা। অ.ৰা.বি.প. MFF ৰ মূল কাৰ্য্যকৰী সংস্থা হিছাপে থাকিব।

অসম চৰকাৰে ভাৰত চৰকাৰৰ জৰীয়তে ADB ক MFF ৰ অন্তৰ্গত আংশিক ভাৱে অসমৰ শক্তি খণ্ডত বিনিয়োগ কৰিবলৈ অনুৰোধ জনাইছে। এই বিনিয়োগ কাৰ্য্যসূচীত ব্যৱহাৰিক বিনিয়োগ ক্ষেত্ৰত পৰিবহন, বিতৰণ আৰু শক্তিৰ কাৰ্য্যক্ষমতাক সাঙুৰি লব। MFF ৰ অধীনত কাৰ্য্যকৰী কৰা **১ম** আৰু ২য় ঋণদান প্ৰক্ৰিয়াৰ প্ৰথম অৱস্থাত পৰিবহন আৰু বিতৰন ব্যৱস্থাৰ সম্প্ৰসাৰন প্ৰক্ৰিয়াৰ বাবে ঋণ প্ৰদান কৰিব। শক্তিৰ ক্ষমতা বৃদ্ধি পৰৱৰ্তি ঋণত অন্তৰ্ভুক্ত হব লগা নিৰ্দ্দিষ্ট প্ৰকল্প বা উপ-প্ৰকল্প অনুসৰি বিনিয়োগ আচঁনিৰ অন্তৰ্ভুক্ত কৰা হব। ADB ৰ সাহাৰ্য্যত বিনিয়োগ কৰিব পৰা ক্ষেত্ৰ সমূহ হল ঃ

ক. শক্তিৰ মানদণ্ড আৰু নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰা।

খ. পৰিবহন ক্ষেত্ৰৰ সমস্যা সমূহ সমাধান কৰা।

গ. ৰাজ্যিক, আন্তঃ ৰাজ্যিক শক্তিৰ বিনিময় সহজসাধ্য কৰি তোলা।

ঘ. পৰিবহন আৰু বিতৰন ব্যৱস্থাত হোৱা লোকচানৰ পৰিমান হ্ৰাস কৰা।

ঙ. শক্তিৰ মানদণ্ড উন্নত কৰি কম কাৰ্বন সম্ পন্ন শক্তিখণ্ডৰ সুবিধাসমূহ গ্ৰহণ কৰা আৰু

চ. ব্যৱহাৰ উপযোগী বিদ্যুৎ যোগান ধৰি বিত্তীয় সক্ষমতা উন্নত কৰা।

প্ৰস্তাবিত কাৰ্য্যসূচীয়ে পূৰ্বতে ADB ৰ সহযোগত গ্ৰহণ কৰা সংস্কাৰ আচঁনিসমূহক গতি প্ৰদান কৰি দীৰ্ঘকালীন বিনিয়োগকাৰীক আকৰ্ষিত কৰিব বুলি আশা কৰা হৈছে। Tranche-1 অধীনত **১১** টা নতুন উপকেন্দ্ৰ স্থাপন কৰা, ৪ টা বৰ্তমানে কাৰ্য্যক্ষম হৈ থকা উপকেন্দ্ৰৰ কাৰ্য্যদক্ষতা বৃদ্ধি কৰা আৰু **১৪** টা নতুন বিদ্যুৎ পৰিবাহী লাইনক সামৰি লব।

## ২. খিলঞ্জীয়া লোক

যিসকল লোকৰ অনান্য মূল সৃতি বা সমাজ ব্যৱস্থাৰ এক বিশেষ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰম্পৰা তথা অনুস্থান আছে তেনে লোকক খিলঞ্জীয়া লোকৰ ক্ষেত্ৰত তলৰ বৈশিষ্ট সমূহ আৰূপ কৰিছে ঃ

a. নিৰ্দ্দিষ্ট অঞ্চলটোৰ সীমা নিৰ্ধাৰণ কৰাৰ আগতে তাত বসবাস কৰা লোকসকলৰ বংশানুক্ৰম বিতং ভাবে অধ্যয়ন কৰি তাৰ তথ্য আহৰন কৰা।

b. অৱদমিত সমাজ আৰু সাংস্কৃতিৰ পৰা নিজস্ব সমাজ আৰু সাংস্কৃতি ৰক্ষা কৰা।

c. নিজস্ব চিনাকী বা আনৰ দ্বাৰা চিনাক্ত কৰা নিৰ্দ্দিষ্ট সাংস্কৃতিক গোষ্ঠিসমূহৰ এক অংশ হিছাপে পৰিগনিত হোৱা।

d. অৱদমিত সমাজ ব্যৱস্থাতকৈ অন্য এক বেলেগ ভাষিক পৰিচয়।

e. অৱদমিত সমাজ ব্যৱস্থাতকৈ অন্য এক বেলেগ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক পৰম্পৰা আৰু অনুস্থান।

f. অধিকাংশ লোকৰ তুলনাত আৰ্থিক ব্যৱস্থটো পৰম্পৰাগত উৎপাদন পদ্ধতিৰ ওপৰত নিৰ্ভৰশীল।

g. পৰম্পৰাগত অভ্যাস সমূহ তথা পূৰ্বৰ ৰাজ্যসমূহৰ সতে বিশেষ সংযোগ।

ভাৰতবৰ্ষত বসবাস কৰা অনুসূচীত জনজাতি লোকসকলৰ ক্ষেত্ৰত উপৰোক্ত সংজ্ঞা সমূহ প্ৰযোজ্য হয়।

সংবিধানৰ ৩৪২ নং অণুচ্ছেদত অনুসূচীত জনজাতি লোকসকলৰ বৰ্ণনা এনেদৰে কৰিছে ঃ

i) জনগোষ্ঠীটোৰ প্ৰাগ-ঐতিহাসিক বৈশিষ্ট

ii) জনগোষ্ঠীটোৰ বেছিভাগ লোকৰ মুখত লাজকুৰীয়া স্বভাব বিৰাজমান

iii) জনগোষ্ঠীটোৰ নিৰ্দ্দিষ্ট সাংস্কৃতিক বৈশিষ্ট থাকে

iv) জনগোষ্ঠীটোৰ ভৌগলিক বিচিন্নতা আৰু

v) জনগোষ্ঠীটোৰ সামাজিক তথা অৰ্থনৈতিক অনগ্ৰসৰতা।

ভাৰতীয় সংবিধানে স্পৰ্শকাতৰ জনজাতি সমূহক অনসূচীত জনজাতি হিছাপে স্বীকৃতি দিছে। অনসূচীত জনজাতিৰ স্বীকৃতিয়ে তেওঁলোকক বিধান মণ্ডলত সংৰক্ষন তথা বিশেষ শিক্ষাৰ সুবিধা আদি ইতিবাচক কাৰ্য্যসূচীৰ অধিকাৰ প্ৰদান কৰিছে। অৱশ্যে অধিকাংশ জনজাতীয় সম্প্ৰদায় সমাজৰ আন আন সম্প্ৰদায়ৰ তুলনাত আজিও অসংৰক্ষিত অৱস্থাত আছে ইয়ে তেওঁলোকৰ আৰ্থ সামাজিক উন্নয়ন ব্যৱস্থাত যথেষ্ঠ প্ৰভাৱ পেলায়। নিজ ভূমিৰ পৰা উচ্ছেদ কৰণ, বন অধিকাৰ সমূহৰ পৰা বঞ্চিত কৰণ আদি তেওঁলোকে সঘনাই সন্মুখীন হোৱা বিভিন্ন সমস্যা সমূহৰ অন্যতম আৰু এই সমস্যা সমূহে তেওঁলোকৰ মাজত নিৰক্ষৰতা, দৰিদ্ৰতা বৃদ্ধি আদিত যথেষ্ঠ অৰিহনা যোগাইছে।

২০০১ চনত অনুস্থিত হোৱা লোকপিয়ল মতে ভাৰতৰ প্ৰায় ৪.২ % ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ তুলনাত অসমত **১২.৫** % লোক অনসূচীত জনজাতিৰ। ২০০১ চনৰ পিয়ল অনুসৰি অসমৰ মুঠ ২৬,৬৫৫,৫২৮ জন জনসংখ্যাৰ ৩,৩০৮,৫৭০ লোক অনসূচীত জনজাতিৰ। ঠায়ে ঠায়ে জনজাতীয় আৰু অ-জনজাতীয় লোক মূল সূতিৰ লোকৰ লগত মিলি গৈ এক নতুন সাংস্কৃতিক বৈশিষ্টৰ সৃষ্টি কৰিছে। বহুতো অনসূচীত জনজাতিৰ লোকে অ-জনজাতীয় লোকৰ লগত বসবাস কৰি তেওঁলোকৰ সাংস্কৃতিক পৰম্পৰা ধৰি নাৰাখি এৰি পেলাইছে আৰু অ-জনজাতীয় লোকৰ পৰম্পৰা সমূহকে আকোৱালি লৈছে।

পুনৰসংস্থাপন আচঁনি প্ৰস্তুত কৰাৰ সময়ত এই বিষয়ে বিস্তৃত আলোচনা কৰা হৈছে আৰু সময়ে সময়ে ইয়াৰ ওপৰত আলোচনা কৰি থকা হব। ইয়াৰ ওপৰত যদিও অনসূচীত জনজাতি হিছাপে শ্ৰেণী বিভাগ কৰা হৈছে তেওঁলোকৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক তথা ৰাজনৈতিক বৈশিষ্টসমূহ অ-খিলঞ্জীয়া লোকতকৈ পৃথক নহয়। কাৰ্য্যসূচী ৰূপায়ন কৰিবলৈ লোৱা অনান্য অঞ্চলসমূহো প্ৰায় একে ধৰনৰ। সেয়ে আশা কৰা হৈছে যে এই বিনিয়োগ কাৰ্য্যসূচীৰ খিলঞ্জীয়াৰ ওপৰত কোনো প্ৰভাৱ নপৰিব। অৱশ্যে এ.ডি.বি.ৰ খিলঞ্জীয়া লোকৰ নীতি **১৯৯৮** ৰ লগত সামঞ্জঞ্চ ৰাখি খিলঞ্জীয়া লোকৰ ওপৰত পৰিব লগা প্ৰভাব বিচাৰ কৰা হৈছে নে নাই তাক নিশ্চিত কৰিবলৈ বিনিয়োগ কাৰ্য্যসূচী তথা ইয়াৰ ভৱিষ্যত কাৰ্য্যক্ৰমনিকাৰ বাবে খিলঞ্জীয়া লোকৰ বিকাশৰ আন্তঃগাঠনি প্ৰস্তুত কৰা হৈছে। তদুপৰি ক্ষতিগ্ৰস্থ পৰয়ালৰ অতিৰিক্ত সহায়ৰ বৱে পুনৰ সংস্থাপন আচঁনিখনত বিশেষ ব্যৱস্থা ৰখা হৈছে।

## ৩. খিলঞ্জীয়া লোকৰ উন্নয়নৰ আচঁনি (IPDF)

আই. পি. ডি. পি. য়ে উপ-আচঁনি নিৰ্বাচন আৰু প্ৰস্তুতকৰন প্ৰক্ৰিয়াত সহায় কৰি বিনিয়োগ কাৰ্যসূচী ৰূপায়িত স্থানৰ লোকসকলৰ মাজত সজাগতা বৃদ্ধি কৰে। দীৰ্ঘম্যাদী আচঁনিৰ ৰূপায়নৰ ক্ষেত্ৰত আই. পি. ডি. পি. য়ে ভৱিষ্যতৰ উপ-আচঁনি সমূহক দিশ নিৰ্দ্দেশনা দিয়ে। কাৰ্যসূচী ৰূপায়িত কালত খিলঞ্জীয়া লোকৰ ওপৰত পৰিব লগা কোনো প্ৰভাৱ চিনাক্ত হলে আই. পি. ডি. পি. য়ে উপ-আচঁনিৰ প্ৰস্তুত কৰনৰ সময়ত এ.ডি.বি.ৰ **১৯৯৮** ৰ নীতিৰ আধাৰত নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত এক যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব। তলৰ ক্ষেত্ৰসমূহত প্ৰভাৱ পৰিলে এক সম্পূৰ্ণ খিলঞ্জীয়া লোকৰ বিকাশৰ আচঁনিৰ প্ৰয়োজন হব।

তলৰ ক্ষেত্ৰসমূহত প্ৰভাৱ পৰিলে এক সম্পূৰ্ণ খিলঞ্জীয়া লোকৰ বিকাশৰ আচঁনিৰ প্ৰয়োজন হব।

a. ভূমি ও প্ৰাকৃতিক সম্ পদ ব্যৱহাৰ তথা প্ৰবেশৰ দৈনন্দিন অধিকাৰৰ ওপৰত পৰা প্ৰভাৱৰ ক্ষেত্ৰত

b. আৰ্থ সামাজিক তথা সাংস্কৃতিক ক্ষেত্ৰৰ ওপৰত পৰা প্ৰভাৱৰ ক্ষেত্ৰত

c. জীৱিকাৰ আৰু সামাজিক সুৰক্ষা ব্যৱস্থাৰ ওপৰত পৰিব লগা প্ৰভাৱৰ ক্ষেত্ৰত

d. অনান্য প্ৰভাৱ, যিয়ে খিলঞ্জীয়াৰ জ্ঞান তথা গতানুগতিক অনুস্থান সমূহত প্ৰভাৱ পেলাব পাৰে তেনে ক্ষেত্ৰত।

যদিহে প্ৰভাৱ সামান্য হয় তেনে ক্ষেত্ৰত পুনৰ সংস্থাপন আচঁনিৰ অধীনত উপ-প্ৰকল্পৰ বাবে খিলঞ্জীয়া লোকৰ স্বাৰ্থত লব লগা ব্যৱস্থা সমূহ একত্ৰিত কৰিব পাৰি আৰু ইয়ে খিলঞ্জীয়া লোকৰ সুবিধা সমূহ নিশ্চিত কৰিব। ৰাষ্ট্ৰীয় পুনৰ সংস্থাপন আৰু পুনৰ সাহাৰ্য্য আচঁনি, ২০০৭ য়ে অনুসূচীত জনজাতিৰ লোকসকলে পাবলগা সুবিধা সমূহ নিশ্চিত কৰিব, যদিহে তেওঁলোকৰ ভূমি অধিগ্ৰহণ কৰা হয়। ইয়াৰোপৰি আই. পি. ডি. পি. (IPDP) ৰ লগতে আন সংশ্লিষ্ট

নীতি আৰু আইনৰ পৰা পৰামৰ্শ লোৱা হৈছে। ইয়াৰ মূল লক্ষ্য আৰু উদ্দেশ্য হৈছে ভাৰত বৰ্ষত বসবাস কৰা জনজাতীয় লোকসকলৰ উন্নতি ঘটোৱা। সেইবোৰ যেনে ঃ

i. The fifth Schedule of the Constitution of India.
ii. Provisions of the Panchayay Extension to the Schedule Areas (PESA) Act, 1996.
iii. The Schedule Tribes & other traditional Forest Dwellers (Recognition of Forest Rights) Act, 2006
iv. Draft National Tribal Policy, 2006 and
v. The Schedule Cast & Schedule Tribes (Prevention of Atrocities) Act, 1989 etc.

এই বিশেষ নিয়মাৱলী আৰু নীতিসমূহৰ বিতং বিৱৰণৰ সাৰাংশ সংযোজন-১ ত বৰ্ণনা কৰা হৈছে। ৰাষ্ট্ৰীয় পুনৰ সংস্থাপন নীতি আৰু এ.ডি.বি.ৰ আধাৰত যথাযথ ভাৱে সকলোধৰনৰ প্ৰভাৱৰ সমাধানৰ প্ৰচেষ্টা চলোৱা হব। স্থানীয় চৰকাৰকে আদিকৰি অঞ্চলটোৰ সকলো মূল অনুস্থানক সামাজিক বিষয়বোৰৰ পৰিপালনত অংশ গ্ৰহণ কৰাটো অ. ৰা. বি. প. য়ে নিশ্চিত কৰিব। খিলঞ্জীয়া লোকৰ বিষয়বোৰ বিবচনা কৰিবলৈ অ. ৰা. বি. প. দায়বদ্ধ থাকিব যদিহে ভৱিষ্যতৰ উপ-প্ৰকল্পৰ কোনো প্ৰভাৱ খিলঞ্জীয়া লোকৰ ওপৰত পৰে। ইয়াৰোপৰি আই. পি. ডি. পিৰ পৰিপালনত জনজাতীয় উন্নয়ন বিভাগেও অংশগ্ৰহণ কৰিব।

আই. পি.ডি.পি আচঁনিখন মূলত ৰাষ্ট্ৰীয় উন্নয়ণ নীতি আৰু এ.ডি.বি.ৰ Policy on Indigeneous People, 1998 ৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ মূল উদ্দেশ্য হল ঃ

a. খিলঞ্জীয়া লোক কোনো উপ-প্ৰকল্পৰ দ্বাৰা প্ৰভাবিত হলে, তেওঁলোকক বিনিয়োগ আচঁনিৰ দ্বাৰা লাভান্বিত হোৱাটো সুনিশ্চিতকৰণ।

b. সম্পূৰ্ণ প্ৰক্ৰিয়াটোৰ প্ৰস্তুতি, পৰিপালন আৰু আচঁনিৰ কাৰ্য্য নিৰ্দেশনা আদিত খিলঞ্জীয়া লোকৰ অন্তৰ্ভুক্তি সুনিশ্চিতকৰণ।

c. অনান্য প্ৰভাবিত গোটসমূহতকৈ বেছিকৈ বা সমান পৰিমানে খিলঞ্জীয়া লোকে উপ-প্ৰকল্পই কৰা ক্ষতিৰ ক্ষতিপূৰণ লাভ কৰে সেয়া সুনিশ্চিতকৰণ। এই ক্ষেত্ৰত খিলঞ্জীয়া লোকক অগ্ৰাধিকাৰ দিয়া হব পাৰে, কিয়নো অনান্য বোৰৰ ভিতৰত স্পৰ্শকাতৰ গোটসমূহ বিনিয়োগ আচঁনিৰ দ্বাৰা লাভান্বিত হয় আৰু

d. অঞ্চলটোত খিলঞ্জীয়া লোকৰ বাবে এটা আন্তঃগাঠনি তৈয়াৰ কৰি দিয়া, যাৰ দ্বাৰা খিলঞ্জীয়া লোকসকলে উন্নয়ণত মনোযোগ দিব পাৰে।

## ৪. IPDP ৰ প্ৰস্তুতি প্ৰক্ৰিয়া

IPDP এ এইটো সুনিশ্চিত হোৱাটো বিচাৰে যাতে উপ-প্ৰকল্পটোৰ বিষয়ে খিলঞ্জীয়া লোকসকল অৱগত হওক, উপ-প্ৰকল্পটোত অংশগ্ৰহণ কৰক আৰু তেওঁলোকৰ মতামত আগবঢ়াওক। খিলঞ্জীয়া লোকসকলৰ অংশগ্ৰহণে তেওঁলোকক উপ-প্ৰকল্পটোৰ পৰা ঘটিবলগা প্ৰভাব সমূহৰ বাবে লাভান্বিত হোৱাৰ সুযোগ দিব।

### ৪.১ প্ৰাথমিক জৰীপ (Preliminary Screening)

অ. ৰা. বি. প. এ প্ৰস্তাবিত Environment & Social Management Unit (ESMU) ৰ অধীনত থকা Project Management Unit (PMU), Implementing Agency (IA) আৰু Social Development Cum Resettlement বিশেষজ্ঞৰ মতে উপ-প্ৰকল্পৰ কাৰ্যকৰী অঞ্চল বা উপ-প্ৰকল্পৰ দ্বাৰা প্ৰভাবিত আক্ৰান্ত খিলঞ্জীয়া লোকলে বসবাস কৰা গাওঁ সমূহ পৰিদৰ্শন কৰিব। অ. ৰা. বি. প. এ এইটো সুনিশ্চত কৰিব যাতে ৰাজহুৱা সভাসমূহ খিলঞ্জীয়া লোকৰ বসতিপ্ৰধান অঞ্চলৰ নিৰ্বাচিত সমাজত অনুস্থিত কৰা হয়, যত বিনিয়োগ আচঁনি আৰু উপ-প্ৰকল্পৰ বিতং তথ্য তেওঁলোকক অৱগত কৰিব। পৰিদৰ্শনৰ সময়ত খিলঞ্জীয়া সমাজৰ নেতা আৰু সভাত অংশগ্ৰহণ কৰা লোকসকলে বিনিয়োগ আচঁনি আৰু উপ-প্ৰকল্পৰ বিষয়ে তেওঁলোকৰ মতামত আগবঢ়াব। পৰিদৰ্শনৰ সময়ত অ. ৰা. বি. প. এ খিলঞ্জীয়া সমাজৰ নেতা আৰু স্থানীয় নেতা সকলৰ সহায়ত খিলঞ্জীয়া লোকৰ মুঠ জনসংখ্যা পৰীক্ষা কৰাৰ চেষ্টা কৰিব। এই জৰীপ চলোৱা সময়ত তলৰ দিশসমূহত গুৰুত্ব দিব লাগিব ঃ

a. অঞ্চলটোত বসবাস কৰা খিলঞ্জীয়া লোকৰ সমাজ গোটৰ নাম।

b. অঞ্চলটোত বসবাস কৰা খিলঞ্জীয়া লোকৰ সমাজ গোটৰ মুঠ সংখ্যা।

c. অঞ্চলটোত বসবাস কৰা মুঠ জনসংখ্যাৰ তুলনাত খিলঞ্জীয়া লোকৰ সংখ্যা আৰু

d. উপ-প্ৰকল্পৰ দ্বাৰা প্ৰভাৱিত অঞ্চলটোত বসবাস কৰা খিলঞ্জীয়া লোকৰ সংখ্যা ও তাৰ শতকৰা পৰিমান।

ESMU এ এখন খিলঞ্জীয়া লোকৰ এখন তালকা প্ৰস্তুত কৰি উপ-প্ৰকল্পৰ ব্যবহাৰিক সফলতাৰ পৰ্যালোচনা কৰি প্ৰাথমিক জৰীপৰ ফলাফলবোৰ PMU লৈ পুনৰীক্ষণৰ বাবে পঠাব। যদিহে ফলাফলত খিলঞ্জীয়া লোকৰ আবাসিক আঞ্চল প্ৰভাবিত হয় তেন্তে SIA (Social Impact Accessment) এ এই অঞ্চলৰ পুনৰসংস্থাপনৰ পৰিকল্পনা প্ৰস্তুত কৰিব।

## **৪.২ সামাজিক প্ৰভাৱৰ খতিয়ান** (Social Impact Accessment)

অ. ৰা. বি. প. এ SIA ৰ অংশ হিচাপে সম্পূৰ্ণ কাৰিকৰী আচঁনি আৰু পুনৰ সংস্থাপনৰ পৰিকল্পনা হাতত লব। SIA এ সংশ্লিষ্ট সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক অৱস্থা আৰু ইয়াৰ প্ৰভাবৰ ফলত হব পৰা যোগাত্মক আৰু বিয়োগাত্মক দিশ সমূহৰ তথ্য আহৰন কৰিব। তথ্যসমূহ বিভিন্ন খিলঞ্জীয়া গোটৰ লগত, পুৰুষ মহিলা গোটৰ লগত পৃথকে পৃথকে আলোচনা কৰি সংগ্ৰহ কৰা হব আৰু এই ক্ষেত্ৰত প্ৰস্তাবিত উপ-প্ৰকল্পৰ দ্বাৰা প্ৰভাবিত হব লগা অঞ্চলৰ লোকক অগ্ৰাধিকাৰ দিয়া হব। উক্ত আলোচনাবোৰত উপ-প্ৰকল্পৰ প্ৰভাবৰ লগতে উপ-প্ৰকল্পৰ গুণগত দিশবোৰ বিনিয়োগ আচঁনিৰ ওপৰত গুৰুত্ব দিয়া হয়। SIA ৰ বিশ্লেষণৰ বাবে আৰু খিলঞ্জীয়া লোকৰ নেতাসকলৰ সৈতে মিলি ESMU ৰ নেতৃত্বত এখন কাৰ্য্যক্ৰমনিকা প্ৰস্তুত কৰা হয়। যদিহে প্ৰস্তাৱিত উপ-প্ৰকল্পৰ ফলত উৎপন্ন হোৱা প্ৰভাৱবোৰ বিপৰীতমুখী যেনে - খিলঞ্জীয়া লোকসকলে প্ৰস্তাৱিত উপ-প্ৰকল্পৰ বিৰোধতা কৰে, সাংস্কৃতিক প্ৰথা আৰু খিলঞ্জীয়া লোকৰ জীৱনৰ প্ৰতি ভাবুকি সৃষ্টি কৰা বুলি SIA এ নিৰ্দ্দেশনা দিয়ে তেনে ক্ষেত্ৰত PMU য়ে অন্য আচঁনি প্ৰস্তুত কৰি উলিয়াব যাৰ দ্বাৰা বিপৰীতমুখী প্ৰভাৱবোৰ কম কৰিব পাৰি। যদি খিলঞ্জীয়া লোকসকলে উপ-প্ৰকল্পটোলৈ পূৰ্ণ সমৰ্থন আগবঢ়ায় তেনে ক্ষেত্ৰত IPDP আচঁনিৰ উন্নতি ঘটোৱা হব।

## **৪.৩ খিলঞ্জীয়া লোকৰ উন্নয়নৰ পৰিকল্পনা**

IPDP এ এক নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত এখন উপযুক্ত বাজেটৰ পৰিপালন কৰিব লাগে। IPDP এ সামৰি লব পৰা বিভিন্ন বিষয়বোৰ হৈছে ঃ

a. আক্ৰান্ত খিলঞ্জীয়া ব্যক্তিয়ে অগ্ৰাধীকাৰ দিয়া সামগ্ৰী, তেওঁলোকৰ প্ৰয়োজনীয় তথা অতিপ্ৰয়োজনীয় সামগ্ৰী।

b. আক্ৰান্ত খিলঞ্জীয়া লোকসকলৰ স্থানীয় সামাজিক অনুস্থান, লোক বিশ্বাস, সাংস্কৃতিক পৰম্পৰা, পূৰ্বৰ পৰা প্ৰচলিত নীতি আৰু সম্পদ ব্যৱহাৰৰ পদ্ধতি।

c. আক্ৰান্ত খিলঞ্জীয়া লোকসকলৰ ওপৰত পৰিবপৰা সাম্ভাব্য প্ৰভাব।

d. উপ-প্ৰকল্পৰ সাম্ভাব্য প্ৰভাবোৰ কম কৰিবলৈ বা নোহোৱা কৰিবলৈ আৰু ক্ষতিপূৰণ প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ।

e. আক্ৰান্ত খিলঞ্জীয়া লোকসকল যাতে প্ৰকল্পৰ দ্বা লাভান্বিত হয়, সেইটো সুনিশ্চিতকৰন।

f. আক্ৰান্ত খিলঞ্জীয়া লোকসকলৰ লগত জড়িত বিষয়বোৰ সম্বোধন কৰিবলৈ চৰকাৰী অনুস্থান সমূহৰ সামাজিক, ন্যায়িক আৰু কাৰিকৰী ক্ষমতা বৃদ্ধিৰ ব্যৱস্থা গ্ৰহণ কৰা।

g. স্থানীয় অনুস্থান বেচৰকাৰী প্ৰতিস্থান আদিৰ খিলঞ্জীয়া লোকসকলৰ লগত জড়িত বিষয়বোৰত অংশগ্ৰহণ।

h. আচঁনিৰ বাবে ধাৰ্য্য কৰা বাজেট।

i. আচঁনিৰ নিৰীক্ষণ।

যত খিলঞ্জীয়া লোকৰ ভূমি অধিগ্ৰহণৰ আৰশ্যক, তেনে স্থানত খিলঞ্জীয়া লোকৰ অধিকাৰ যাতে খৰ্ব নহয় তাক বিনিয়োগ আচঁনি আচঁনিখনে সুনিশ্চিত কৰাৰ লগতে খিলঞ্জীয়া লোকৰ অধিগৃহিত ভূমিৰ সম্পূৰ্ণ ক্ষতিপূৰণ লাভ কৰে। IPDP অন্তৰ্ভুক্ত হোৱা বিষয়বোৰ হল ঃ

**i. বুনিয়াদী তথ্য ঃ** বুনিয়াদী তথ্য প্ৰাথমিক তথা গৌণ উভয় উৎসৰ পৰা সংগ্ৰহ কৰা হব পাৰে। বুনিয়াদী তথ্যৰ আৰ্থসামাজিক তথা সাংস্কৃতিক প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি সমীক্ষাটো এনে ধৰণে কৰা হয় যাতে খিলঞ্জীয়া লোকৰ ওপৰত ইয়াৰ প্ৰভাৱৰ তীব্ৰতা বিচাৰ কৰাত সহায়ক হয়। পুনৰসংস্থাপন আচঁনিৰ এক অংশ হিচাপে এই বুনিয়াদী তথ্য সংগ্ৰহ কৰা হয়। পুনৰসংস্থাপন আচঁনিৰ এক অংশ হিচাপে সংগ্ৰহ কৰা

আৰ্থসামাজিক তথ্যই আচঁনিখন কাৰ্য্যকৰী কৰিব লগা অঞ্চলক সামৰি লব। এই পুনৰসংস্থাপন আচঁনিখনে আচঁনিখন কাৰ্য্যকৰী হোৱা অঞ্চলক ক্ষতিগ্ৰস্থ লোকক সামৰি লোৱাৰ উপৰিও ইয়াৰ ফলত প্ৰভাৱিত অঞ্চলসমূহকো সামৰি লব।

**ii. ভূমি হস্তান্তৰকৰণৰ তথ্য ঃ** খিলঞ্জীয়া লোকে কৰা ব্যৱহাৰ ও নিৰ্ভৰশীলতাৰ ওপৰত বিতং তথ্য সংগ্ৰহ কৰি খিলঞ্জীয়া লোকৰ ভূমিৰ হস্তান্তৰকৰণ প্ৰক্ৰিয়া সমাপন কৰা হব।

**iii. স্থানীয় লোকৰ অংশগ্ৰহণ ঃ** IPDP য়ে আলোচনাৰ মাধ্যমত আচঁনিখনত স্থানীয় খিলঞ্জীয়া লোকৰ অংশগ্ৰহণেৰে IPDP ৰ বিকাশৰ যত্ন কৰিব। স্থানীয় খিলঞ্জীয়া লোকৰ মতামত সমূহ গ্ৰহণ কৰি সেইসমূহ IPDP ত অন্তৰ্ভুক্ত কৰিব।

**iv. উন্নতিৰ বিকাশ বা প্ৰৱজনৰ কাৰিকৰী কাৰক নিৰূপন ঃ** IPDP ৰ তথ্যৰ ওপৰত ভিত্তি কৰি এখন বিতং আচঁনিৰ খচৰা প্ৰস্তুত কৰা হব যাৰ ফলত খিলঞ্জীয়া লোকৰ অধিক উন্নতি আৰু বিকাশ সম্ভৱ হয়।

**v. আনুস্ঠানিক প্ৰস্তুতি ঃ** প্ৰতিটো জমিদাৰী গোটৰ লগত তেওঁলোকৰ কাম নিৰ্ধাৰন কৰি বিতং আনুস্ঠানিক প্ৰস্তুতি যুগুতাই উলিওৱা হব।

**vi. উপ-আচঁনিৰ পৰিপালন তালিকা ঃ** উপ-আচঁনিৰ পৰিপালন তালিকা সম্পূৰ্ণ আচঁনিৰ পৰিপালন তালিকাৰ সৈতে একে হব। ই ক্ষতিপূৰণ বা প্ৰৱজন ব্যৱহাৰক কাম কাজ আদিক সামৰি লব।

**vii. নিৰীক্ষণ আৰু মূল্যয়ন ঃ** IPDP আচঁনিখন প্ৰথম অৱস্থাত ESMU আৰু PMU/ASEB ৰ দ্বাৰা নিয়োজিত কোনো বাহ্যিক সংস্থাই নিৰীক্ষণ কৰিব।

**viii.** আচঁনিৰ খৰচ আৰু পুজিৰ যোগান ঃ IPDP আচঁনিখনৰ পৰিপালন পুজিৰ বাবে এখন বাজটৰ প্ৰয়োজন আৰু PMU/ASEB য়ে এই বাজেট যোগানৰ বাবে দায়বদ্ধ থাকিব।

যদি আৱশ্যক হয় ESMU য়ে IPDP আচঁনি প্ৰস্তুত কৰি PMU/IA ক চূড়ান্ত অনুমোদনৰ বাবে জমা দিব। অনুমোদিত IPDP আচঁনিখন কাৰ্য্যকৰী কৰাৰ আগতে ADB ক পুনৰ বিৱেচনা আৰু অনুমোদনৰ বাবে যোগান ধৰা হব। এই IPDP আচঁনিখন আৰু ইয়াত সন্নিবিষ্ট ব্যৱস্থাবোৰ ADB ৰ খিলঞ্জীয়া লোকৰ প্ৰতি থকা নীতি ১৯৯৮ অনুসৰি কাৰ্য্যকৰী কৰিব লাগিব।

### ৪.৪ নিৰ্দ্দিষ্ট কাৰ্য্যপ্ৰণালী ঃ

যদি SIA এ নিৰ্দ্ধাৰন কৰে যে উপ-প্ৰকল্পটোৱে জনজাতীয় লোকৰ ওপৰত সীমিত প্ৰভাৱহে পেলাইছে তেন্তে তেনে প্ৰভাৱৰ মুখামুখি হবৰ বাবে IPDP ৰ আচঁনিৰ সলনি এক নিৰ্দ্দিষ্ট কাৰ্য্যপন্থাৰ প্ৰয়োজন হয়। এই নিৰ্দ্দিষ্ট কাৰ্য্যপ্ৰণালীত আংশিক প্ৰভাৱিত লোকৰ পুনৰসস্থাপনৰ বিতং আচঁনি উল্লেখ থাকিব। এই সিদ্ধান্ত উপ-আচঁনিৰ ফলত জনজাতীয় লোকৰ ওপৰত পৰা প্ৰভাৱৰ ওপৰত নিৰ্ভৰ কৰি গ্ৰহণ কৰা হয়।

## ৫. আলোচনা আৰু তথ্য সদৰীকৰণ ঃ

IPDP আচঁনিখন ক্ষতিগ্ৰস্থ জনজাতীয় গোট সমূহৰ লগত আলোচনা কৰি তৈয়াৰ কৰা হয়। প্ৰৱজন সম্বন্ধীয় বিষয় সমূহ ESMU য়ে যোগান ধৰিব আৰু সেই তথ্য সমূহ কাৰ্য্যবাহী সংস্থা IA আৰু PMU ত উপলব্ধ হব। কাৰ্য্যবাহী সংস্থাৰ পৰা ESMU ৰ জৰীয়তে পোৱা তথ্য সমূহ উপ-প্ৰকল্প প্ৰস্তুতকৰন আৰু মূল IPDP আচঁনি তৈয়াৰ কৰাত সহায়ক হব। বিভিন্ন সেস্বাসেৱী অনুস্থান-প্ৰতিস্থানৰ জৰীয়তে জনজাতীয় নেতা, জনজাতীয় পুৰুষ-মহিলাৰ গোটসমূহৰ সৈতে সভা অনুস্থিত কৰি তেওঁলোকৰ বিষয়ে বিতং তথ্য সংগ্ৰহ কৰা হয়। আলোচনাত উপ-প্ৰকল্পৰ পৰা হব পৰা ক্ষতি আৰু লাভ দুয়োটা দিশ চোৱা হয়। IPDP আচঁনিখন কাৰ্য্যকৰী কৰাৰ আগতে স্থানীয় ভাষালৈ অনুবাদ কৰা হব। IPDP আচঁনিখন কাৰ্য্যকৰী কৰাৰ বাবে PMU/ASEB দায়বদ্ধ থাকিব। IPDP আচঁনিখনৰ বাবে আৱশ্যকীয় পুজি PMU/ASEB য়ে যোগন ধৰিব।

## ৬. প্ৰতিস্থানীয় পৰিগাঠনি ঃ

প্ৰস্তাৱিত বহুমূখী ঋণ প্ৰদান ব্যৱস্থাত **(MTFF)** ৰ অ.ৰা.বি.প. কাৰ্য্যবাহী সংস্থা। অ.ৰা.বি.প. ৰ অধীনস্থ পৰিবহন আৰু বিতৰন কোম্পানী সমূহ হৈছে আচঁনিখনৰ কাৰ্য্যকৰী সংস্থা। ইতিমধ্যে কাৰ্য্যক্ষম হৈ থকা Project Monitoring Unit (PMU) ই ADB Phase-I ঋণ পৰিপালন কৰাৰ লগতে প্ৰস্তাবিত আচঁনিখনৰ যাৱতীয় প্ৰাথমিক কাম কাজ পৰিচালনা

কৰিব। অ.ৰা.বি.প. আৰু ইয়াৰ অধীনস্থ PMU ৰ কাৰ্য্যক্ষমতালৈ লক্ষ্য কৰি PMU ৰ অধীনত এটা Environment & Social Management Unit গঠণ কৰা হব যাৰ লগত অনান্য কাৰিকৰী গোটবোৰে সামাজিক আৰু পৰিবেশ সম্পৰ্কীয় সমস্যাবোৰ লৈ যোগাযোগ ৰক্ষা কৰিব। ইয়াত পাৰিপাৰ্শ্বিক আৰু পুনৰ সংস্থাপন বিশেষজ্ঞ থাকিব। ESMU ক এটা পাৰিপাৰ্শ্বিক আৰু এটা পুনৰ সস্থাপন বিশেষজ্ঞই সহায় কৰিব যি সকলো ধৰণৰ কাম কাজৰ বাবে দায়বদ্ধ থাকিব।

IPDP উপ-আচঁনিখন প্ৰস্তুত কৰোতে PMU ৰ পুজি, যোগাযোগ, নিৰীক্ষন আদি সকলো কামৰ দায়িত্ব থাকিব। ESMU য়ে কাৰ্য্যকৰী দিশটো চোৱাচিতা কৰিব। যিহেতু বিষয়টো জনজাতীয় লোকৰ দৰে এটা স্পৰ্শকাতৰ বিষয়ৰ সতে জড়িত PMU য়ে ESMU ৰ বিষয়টোৰ ওপৰত অভিজ্ঞতা থকাৰ লগতে জনজাতীয় লোকৰ গোট সমূহৰ লগত কাম কৰাৰ অভিজ্ঞতা আৰু বিনিয়োগ আচঁনিখন তৈয়াৰ কৰাত পৰিকল্পনা ও সহায় কৰাৰ ওপৰত গুৰুত্ব দিব। ক্সৰ্ঋ য়ে কাৰ্য্যবাহী সংস্থা আৰু PMU ক IPDP উপ-আচঁনিখন ADB ৰ আচঁনিসমূহৰ আৰ্হিত প্ৰস্তুত কৰাত সহায় কৰাটো নিশ্চিত কৰিব। আচঁনিখনত প্ৰস্তাৱিত সামাজিক তথা পুনৰসংস্থাপন বিশেষজ্ঞজনে পুনৰসংস্থাপনৰ লগত জড়িত বিষয়সমূহৰ উপৰিও জনজাতীয় লোকৰ বিষয়সমূহ চোৱাচিতা কৰিব। পুনৰ সংস্থাপন আচঁনিখনত প্ৰস্তাৱিত প্ৰতিস্থানীয় পৰিগাঠনিৰ বিষয়সমূহো জনজাতীয় লোকৰ উন্নয়নৰ বিষয়সমূহৰ অন্তৰ্ভূক্ত হব।

## ৭. IPDP **আচঁনিখনৰ বাবে আৱশ্যকীয় পুজি ঃ**

PMU/ASEB য়ে জনজাতীয় লোকৰ ওপৰত প্ৰভাৱ থকা IPDP উপ-আচঁনিখনৰ বাবে আৱশ্যকীয় পুজিৰ ব্যৱস্থা কৰিব। IPDP আচঁনিখনৰ বাবে PMU য়ে সকলো বিষয় সামৰি এখন বিতং বাজেট প্ৰস্তুত কৰিব। প্ৰত্যেক IPDP আচঁনিৰ বাবে সুকীয়া বাজেট প্ৰস্তুত কৰিব লাগিব। এই বাজেটসমূহ উপ-আচঁনিসমূহৰ খৰচৰ এক অবিচ্ছেদ্য অংগ হব আৰু আচঁনি কাৰ্য্যকৰী কৰোতে ইয়াক প্ৰতিফলন ঘটাব লাগিব। PMU/ASEB য়ে প্ৰত্যেক পৰিকল্পনাত আগতিয়াকৈ খচৰা বাজেট তৈয়াৰ কৰিব যাতে বাজেটৰ বাবে আচঁনিখন কাৰ্যকৰী কৰোতে পলম নহয়। PMU/ASEB এই IPDP আচঁনিখনৰ বাজেট যোগানৰ বাবে দায়বদ্ধ থাকিব।

## ৮. **নিৰীক্ষণ আৰু মূল্যায়ণ**

IPDP আচঁনিখনৰ কাৰ্য্যকৰীকৰন নিয়মিয়াকৈ নিৰীক্ষন কৰা হব। PMU য়ে ESMU, ক্ষতিগ্ৰস্থ লোকৰ প্ৰতিনিধি, বে-চৰকাৰী অনুস্থান-প্ৰতিস্থান আদিক জড়িত কৰি নিয়মিয়াকৈ নিৰীক্ষনৰ ব্যৱস্থা গ্ৰহণ কৰিব। IPDP আচঁনিখন কাৰ্য্যকৰি কৰাৰ সময়ত নিয়মিয়া নিৰীক্ষনৰ মাপকাঠি ঠিৰাং কৰিব। ঠঋৎ য়ে তাৰ উপযুক্ত (আন্ত আৰু বাহ্যিক) নিৰীক্ষনৰ আৰ্হি তৈয়াৰ কৰিব। EA/ASEB য়ে নিয়োগ কৰা স্বতন্তৰীয় বেচৰকাৰী আৰু আঞ্চলিক অনুস্থান সমুহৰ দ্বাৰাও বাহিৰৰ পৰা বিনিয়োগ আচঁনিখন নিৰীক্ষনৰ কৰা হব। বছৰত দুবাৰকৈ আচঁনিখন কাৰ্য্যকৰি কৰাৰ সময়ত নিৰীক্ষনৰ কৰা হব। ইয়াৰ ৰিপৰ্ট সমূহ IA, EA আৰু ADB ৰ পৰ্য্যবেক্ষনৰ বাবে প্ৰেৰণ কৰা হয়। PMU আৰু IA এই পৰ্য্যবেক্ষনৰ ৰিপৰ্ট সমূহৰ ওপৰত লব লগা ব্যৱস্থাসমূহ গ্ৰহণ কৰিব।

******************